# নিয়মীয়া বাৰ্তা

মঙলবাৰ ☐ ৩ ব'হাগ ১৯৪৬ শক ☐ ১৬ এপ্ৰিল ২০২৪ চন ☐ VOL-14 ☐ NO-40 ☐ TUESDAY 16 APRIL 2024

(ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PAGE-1


আজিৰ দিনটোতে—

বিশ্ব কণ্ঠ দিৱস।

১৮৫৩ত বোম্বাইত প্ৰথম যাত্ৰীবাহী ৰে'ল চলাচল।

১৮৮৯ত অভিনেতা চাৰ্লি চেপলনিৰ জন্ম।

১৯৪৮ত ইউৰোপীয় অৰ্থনৈতিক সহযোগিতাৰ সংগঠন গঠন।

১৯৪৮ত কণ্ঠশিল্পী জগমোহন কৌৰৰ জন্ম।

১৯৭৮ত মডেল অভিনেত্ৰী লাৰা দত্তৰ জন্ম।

### স্নেহ বন্ধনৰ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় বক্তৃতানুষ্ঠানত প্ৰাঞ্জল কুমাৰ শইকীয়া

# সপোনে মানুহক আগুৱাই যোৱাত সদায় সহায় কৰে

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ১৫ এপ্ৰিল ঃ 'সপোনে মানুহক আগুৱাই যোৱাত সহায় কৰে।' সকলোৱে সপোন দেখিব লাগে, সপোন দেখাৰ লগতে সেই সপোনক বাস্তৱত ৰূপায়িত কৰিবলৈ চেষ্টা কৰিব লাগে। 'স্নেহ বন্ধন', ডিব্ৰুগড় সাহিত্য সভা, ডি এইচ এছ কানৈ মহাবিদ্যালয়, নলবাৰীৰ এম এন চি বালিকা মহাবিদ্যালয়, ডুমডুমা মহাবিদ্যালয়, তিনিচুকীয়া মহাবিদ্যালয় আৰু টিংখাং মহাবিদ্যালয়ৰ উদ্যোগত অলপতে এক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বক্তৃতানুষ্ঠানত নেদাৰলেণ্ডৰ প্ৰখ্যাত আই এন জি বেংকৰ আই টি এৰিয়াৰ লীড' সঞ্চালক প্ৰাঞ্জল কুমাৰ শইকীয়াই এনেদৰে কয়। সন্ধিয়া ৬.৩০ বজাৰ পৰা অনলাইন মাধ্যমত অনুষ্ঠিত হোৱা বক্তৃতানুষ্ঠানত 'সাগৰ আৰু প্ৰকৃতিয়ে আৱৰা দেশ নেদাৰলেণ্ডৰ ইতিবাচক কথা' শীৰ্ষক বিষয়ৰ ওপৰত বক্তৃতা প্ৰদান কৰি শইকীয়াই কয়— নেদাৰলেণ্ডত চাইকেল চলোৱাক অধিক গুৰুত্ব প্ৰদান কৰা হয়। ইয়াৰ অধিকাংশ মানুহে চাইকেল ব্যৱহাৰ কৰে। কিয়নো নেদাৰলেণ্ডত চাইকেল চলাই গ'লে গাড়ী চলাই যোৱাতকৈ সময়ৰ পৰিমাণ কম লাগে। নেদাৰলেণ্ডৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে চাইকেল চলাই বজাৰ কৰিবলৈ যোৱাটো এক সাধাৰণ দৃশ্য বুলি মত প্ৰকাশ কৰি তেওঁ কয় নেদাৰলেণ্ডত পৃথিৱীৰ সৰ্ববৃহৎ তিনিমহলীয়া চাইকেল পাৰ্কীঙৰ ব্যৱস্থা আছে। য'ত প্ৰায় বাৰ হাজাৰ চাইকেল একেলগে পাৰ্কীং কৰিব পাৰি। নেদাৰলেণ্ডৰ নিৰ্বাচন পদ্ধতি ব্যয় বহুল নহয়, অতি কম খৰচত নিৰ্বাচন প্ৰক্ৰিয়া সম্পন্ন কৰা হয়। নেদাৰলেণ্ডৰ নাগৰিকসকল স্বাস্থ্যৰ প্ৰতি অধিক সচেতন। তেওঁলোকে কাৰ্যালয়ৰ টিফিন বিৰতিৰ সময়ত আধাঘণ্টা দৌৰি অথবা সাতুৰি নিজৰ স্বাস্থ্যৰ যতন লয়। নেদাৰলেণ্ডৰ নাগৰিকসকলে সময়ক অধিক গুৰুত্ব দিয়ে। কোনো কাৰণতে নেদাৰলেণ্ডৰ কাৰ্যালয় বন্ধ নহয়। সকলো কৰ্মচাৰীয়ে সময়ক অধিক গুৰুত্ব প্ৰদান কৰি নিজ নিজ কৰ্তব্য পালন কৰে। বিশিষ্ট কবি দুলুমণি দেৱীয়ে আঁত ধৰা অনুষ্ঠানটিত উদ্দেশ্য ব্যাখ্যা কৰি স্নেহ বন্ধনৰ সাধাৰণ সম্পাদক, ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি, কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, বিশিষ্ট লেখক ড° শশীকান্ত শইকীয়াই স্নেহ বন্ধনে সমগ্ৰ পৃথিৱীৰ অসমীয়া মানুহখিনিক কৰ্মসংস্কৃতি, ভাষাৰ প্ৰতি সজাগ আৰু সচেতন কৰিবলৈ সক্ষম হোৱা বুলি উল্লেখ কৰি কয়— নতুন প্ৰজন্মই পৃথিৱীৰ উন্নত দেশসমূহৰ ভাল ভাল কৰ্ম আৰু চিন্তাবোৰ জানিবলৈ সক্ষম হৈছে। ফলত নতুন প্ৰজন্মৰ চিন্তা ধাৰা পৰিৱৰ্তন কৰাত স্নেহ বন্ধনে যথেষ্ট সহায় কৰা বুলি কয়। স্নেহ বন্ধন তথা অসম সাহিত্য সভা গ্ৰেট বৃটেইন শাখাৰ সভানেত্ৰী মঞ্জিৰা চৌধুৰীয়ে সঞ্চালনা কৰা অনুষ্ঠানটি উদ্বোধন কৰি ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰৰ কাৰ্যবাহী সঞ্চালক ড° অশ্বিনী শৰ্মাই কয়— ৰাষ্ট্ৰসংঘই অনুভৱ কৰে যে সমগ্ৰ পৃথিৱীত শান্তি প্ৰতিষ্ঠা হওঁক, সমগ্ৰ পৃথিৱীৰ মানৱ সমাজৰ কল্যাণ হওঁক, ঠিক তেনেদৰে স্নেহ বন্ধনৰ যোগেদি যি চিন্তা কৰা হৈছে সেই চিন্তাও বোধকৰো ৰাষ্ট্ৰসংঘৰ চিন্তা আৰু পৰিকল্পনাৰ ব্যতিক্ৰম নহয়। নিশ্চিতভাৱে স্নেহ বন্ধনৰ লক্ষ্য আৰু উদ্দেশ্য সমাজৰ প্ৰগতি আৰু উন্নতি কৰা। এই চিন্তাই ৰাষ্ট্ৰসংঘৰ উদ্দেশ্য লক্ষ্যক স্নেহ বন্ধনে সহায় কৰা বুলিও তেওঁ কয়। অনুষ্ঠানত মুখ্য বক্তা তথা নেদাৰলেণ্ডৰ প্ৰখ্যাত আই এন জি বেংকৰ আই টি এৰিয়াৰ লীড' সঞ্চালক প্ৰাঞ্জল কুমাৰ শইকীয়াৰ চমু পৰিচয় আগবঢ়াই কানৈ মহাবিদ্যালয়ৰ অধ্যাপিকা ড° নিৰ্মালী পেগুৱে। অনুষ্ঠানত জাৰ্মানীৰ শ্ৰীমন্ত ভূএগ, নেদাৰলেণ্ডৰ সৌৰভ কুমাৰ বৈদ্য, স্কটলেণ্ডৰ নিৰলা বৰুৱা, দক্ষিণ আফ্ৰিকাৰ ড° মুকুট গোহাঁই, ছুইজাৰলেণ্ডৰ ডাঃ ডেইজী লেখাৰু, আমেৰিকাৰ ইফতাক হুছেইন, স্নেহ বন্ধনৰ কাৰ্যকৰী সভাপতি ড° যোগেন চন্দ্ৰ কলিতা, এম এন চি বালিকা মহাবিদ্যালয় অধ্যক্ষ ড° গাৰ্গী চক্ৰৱৰ্তী, ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতা, তিনিচুকীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সূৰ্য চুতীয়া, টিংখাং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মৌছুমী গগৈ, অধ্যাপক ড° বুলজিৎ বুঢ়াগোহাঁই উপস্থিত থাকি বক্তব্য আগবঢ়ায়। গাম্ভীৰ্য পূৰ্ণ অনুষ্ঠানটিত সমগ্ৰ বিশ্বৰ ভালেকেইখন দেশৰ অসমীয়া ব্যক্তিসকলৰ লগতে ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। শেষত শলাগ জ্ঞাপন কৰে ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল গোহাঁয়ে।